# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 10-05-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

সেনা বাহিনী যিকোনো পৰিস্থিতিৰ বাবে সম্পূৰ্ণ সাজু হৈ আছে আৰু শত্ৰুৰ সকলো আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হৈছে। ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ কেৱল নিৰ্বাচিত সামৰিক লক্ষ্যতহে আঘাত হানিছে। নতুন দিল্লীত আজি এখন সংবাদ মেলত অপাৰেচন সিন্দূৰৰ চমু খতিয়ান দি ভাৰতীয় বায়ুসেনাৰ উইং কামাণ্ডাৰ ভ্যোমিকা সিঙে সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ বিৰুদ্ধে লোৱা ব্যৱস্থাৱলীৰ বিষয়ে এইদৰে কয়। তেওঁ কয় যে পাকিস্তানৰ সেনাই বিভিন্ন অঞ্চলত আগবাঢ়ি অহাৰ চেষ্টা চলাই আছে। ভাৰতৰ সশস্ত্ৰ বাহিনীয়ে পাকিস্তানৰ প্ৰযুক্তি আন্তঃগাথনি, কমাণ্ড আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ, ৰাডাৰ কেন্দ্ৰ আৰু অস্ত্ৰ ভাণ্ডাৰকে ধৰি বিভিন্ন সামৰিক লক্ষ্যস্থানত আক্ৰমণ চলাইছে। ইছলামাবাদৰ অপ্ৰৰোচিত আগ্ৰাসনৰ প্ৰত্যুত্তৰতে সেনা বাহিনীয়ে এই আক্ৰমণ চলাইছে। ভাৰতে পাকিস্তানৰ ৰফিকুই, মুৰিড, চাকলালা, ৰহিময়াৰ খান আদিক বিমান আক্ৰমণৰ লক্ষ্য কৰি লৈছে।

কৰ্নেল ছোফিয়া কুৰেশ্বিয়ে কয় যে পাকিস্তানী সেনাই ড্ৰোন, দীৰ্ঘ দূৰত্বৰ লক্ষ্যভেদী ক্ষেপণাস্ত্ৰ, গোলা-বাৰুদ আৰু যুদ্ধ বিমানেৰে দেশৰ পশ্চিম সীমান্তত একেৰাহে আক্ৰমণ চলাই আছে। তেওঁ কয়, যে ভাৰতে এই আক্ৰমণ প্ৰতিহত কৰে। উইং কমাণ্ডাৰগৰাকীয়ে প্ৰকাশ কৰে যে ভাৰতৰ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী S-400 ব্যৱস্থাক ধ্বংস কৰাৰ লগতে চুৰাটগড় আৰু চিৰছা বিমানঘাটি ক্ষতিগ্ৰস্ত কৰা বুলি পাকিস্তানে ভুৱা প্ৰচাৰ চলাইছে। সংবাদ মেলখনত পাকিস্তানৰ অপপ্ৰচাৰক প্ৰত্যাহ্বান জনাই বায়ুসেনা ঘাটি দুটাৰ সময় উল্লেখ থকা ফটোগ্ৰাফ প্ৰদৰ্শন কৰা হয়।

বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে কয়, যে পাকিস্তানে বাৰে বাৰে আক্ৰমণক লৈ কেতবোৰ ভুৱা দাবী কৰি আহিছে। পাকিস্তানী সেনাই চিৰশা বায়ুসেনা ঘাটি ক্ষতিগ্ৰস্ত কৰা, নাগ্ৰ'টা ব্ৰহ্মছ, চণ্ডীগড় এম' ডিপ' আক্ৰমণ, চাইবাৰ আক্ৰমণৰ জৰিয়তে ভাৰতৰ প্ৰায় ৭০ শতাংশ বৈদ্যুতিন গ্ৰীড অকাৰ্যক্ষম কৰি তোলা বুলি কৰা দাবীসমূহ সম্পূণ মিছা বুলি শ্ৰী মিশ্ৰিয়ে উল্লেখ কৰে। তেওঁ লগতে ভাৰতৰ কেতবোৰ ধৰ্মীয় স্থানত ক্ষেপণাস্ত্ৰৰে আক্ৰমণ কৰা বুলি পাকিস্তানে কৰা দাবীকো অগ্ৰাহ্য কৰে।

০০০০০

দেশৰ শেহতীয়া সুৰক্ষাজনিত পৰিস্থিতি সন্দৰ্ভত আলোচনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আজি নতুন দিল্লীত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, চীফ অফ ডিফেন্স ষ্টাফ অনিল চৌহানৰ উপৰিও সশস্ত্ৰ বাহিনী সমূহৰ মুৰববী আৰু জেষ্ঠ বিষয়া সকল উপস্থিত থাকে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ দিনা আজি মুখ্যমন্ত্ৰীগৰাকীয়ে এখন সংবাদমেল সম্বোধন কৰি বিগত ৪টা বছৰত তিনিটা বিষয় অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, এই সময়ছোৱাত ৰাজ্যখনত কোনো অশান্তিকৰ পৰিৱেশৰ সূচনা হোৱা নাই। ৰাজ্যৰ জনগোষ্ঠীয় লোকসকলৰ মাজত সমন্বয় দেখা গৈছে। পাহাৰীয়া জিলা দুখনত শান্তি বিৰাজ কৰাৰ লগতে এই সময়ছোৱাত উদ্যোগ, বাণিজ্যৰ ক্ষেত্ৰতো বিকাশ হৈছে। ৰাজ্যৰ জিডিপি চাৰে ৭ লাখ টকালৈ বৃদ্ধি হৈছে। একেখন সংবাদমেলতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত অনুসৰি ডিব্ৰুগড় বিমানবন্দৰ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত হ'ব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে অহা মাহত এদিনীয়াকৈ অসম বিধানসভা হ'ব বুলিও প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে বৰ্তমান ভাৰত-পাকিস্তানৰ মাজত চলি থকা যুদ্ধসদৃশ পৰিৱেশৰ বাবে ৰাজ্যত আড়ম্বৰপূৰ্ণকৈ কোনো অনুষ্ঠান আয়োজন কৰা নহয়। কোনো মন্ত্ৰী-বিষয়া চৰকাৰী খৰচত বিদেশ ভ্ৰমণলৈ নাযায়। প্ৰয়োজন নাথাকিলে চৰকাৰী বিষয়া-কৰ্মচাৰীও কোনো অনুষ্ঠানলৈ নাযায়। চৰকাৰে কোনো যান-বাহন ক্ৰয় নকৰে। এই সময়ছোৱাত চৰকাৰী সাফল্য আঁচনি প্ৰকাশ কৰাৰ বিপৰীতে চৰকাৰী ফলকৰ স্থানত দেশপ্ৰেমমূলক বাণী প্ৰকাশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। একেখন সংবাদমেলতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কেবিনেট বৈঠকৰ সিদ্ধান্তসমূহ প্ৰকাশ কৰি অসমৰ চাহ উদ্যোগে ২০০ বছৰ সম্পূৰ্ণ কৰাৰ উপলক্ষে ৫ হাজাৰ কোটি টকা অনুমোদন জনোৱা বুলি প্ৰকাশ কৰে। কেবিনেটৰ সিদ্ধান্ত অনুসৰি চৰকাৰী কৰ্মচাৰীৰ বাবে টকা, আপোন ঘৰ, আপোন বাহন আঁচনি দুখনৰ সুবিধা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, সৰ্বশিক্ষা অভিযান, শক্তিবিভাগৰ তিনিওটা প্ৰতিষ্ঠান আৰু লাভজনক নিগম-নিকায়ৰ কৰ্মচাৰীসকলেও লাভ কৰিব। মুখ্যমন্ত্ৰী জীৱন প্ৰেৰণা আঁচনিখনতো কেবিনেটে অনুমোদন জনায়। এই আঁচনিৰ বাবে ১ জুনৰ পৰা আবেদন কৰিব পাৰিব। আঁচনিখনৰ সুবিধা অনুসৰি ২০২৪-২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে ২ হাজাৰ ৫০০ টকাকৈ লাভ কৰিব। অৱশ্যে ব্যক্তিগত শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে এই সুবিধা লাভ নকৰে। বিশ্ববিদ্যালয়ৰ গৱেষক, ছাত্ৰ-ছাত্ৰীসকলকো চৰকাৰে এই আঁচনিৰ অধীনত ২০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়াব। দিব্যাংগ গৱেষক ছাত্ৰ-ছাত্ৰীসকলক ৪০ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব।

০০০০০

সমাপ্ত